জাতি, মাটি আৰু দেশৰ সেৱাত

দৈনন্দিন বাৰ্তা

১৭ ছেপ্টেম্বৰ, ২০২৫ ■ বুধবাৰ ■ ৩১ ভাদ, ১৯৪৭ শক

গুৱাহাটীত গ্ৰন্থ উন্মোচনৰ সময়ত বিশিষ্ট ব্যক্তিসকল, মঙলবাৰে

গুমাৰ বাঁশবাৰীত বিজেপি যুৱ মৰ্চাৰ উদ্যোগত নিৰ্বাচনী প্ৰচাৰ সভা

বাঁশবাৰী বীৰ তিলকা মাঝি ক্লাবত যুৱ সমাৰোহ আৰু যোগদান

দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ১৬ ছেপ্টেম্বৰ ঃ বিগত বিশ বছৰে বিপিএফ আৰু ইউপিপিএলৰ শাসনত কোকৰাঝাৰ কেন্দ্ৰিক শাসন ব্যৱস্থাই কোনো জাতি-জনগোষ্ঠীৰ সামগ্ৰিক বিকাশ সম্ভৱ হৈ নুঠিল। বিটিচিত এই দুয়োটা দলৰ শাসন কালত সংঘটিত হোৱা অবাধ দুৰ্নীতিৰ ফলত স্তব্ধ হৈ পৰিল উন্নয়ন। বিটিচিত চলা অপ-শাসন আৰু কমিছন কেন্দ্ৰিক ব্যৱস্থাত অতি নিম্ন মানদণ্ডৰ কামেৰে নেতা আৰু ঠিকাদাৰে জেপ গধুৰ কৰিলে। বিটিচিত শাসন কৰা ইউপিপিএল আৰু বিপিএফ দলে বিগত বিশ বছৰে ভিচিডিচিৰ নিৰ্বাচন অনুষ্ঠিত নকৰিলে। এই ভাষ্য আক্ৰাছুৰ প্ৰাক্তন সভাপতি তথা বিজেপি নেতা বিশ্বজিত ৰায়ৰ। গোসাঁইগাঁও মহকুমাৰ ২নং গুমা পৰিষদীয় সমষ্টিৰ বাশবাৰীত আয়োজিত জনতা যুৱ মৰ্চাৰ যোগদান কাৰ্যসূচীত অংশগ্ৰহণ কৰি প্ৰাক্তন সভাপতিগৰাকীয়ে কয়, বিগত ২০২০ চনৰ নিৰ্বাচনত প্ৰমোদ বড়োই ভিচিডিচিৰ নিৰ্বাচন অনুষ্ঠিত কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল। কিন্তু পাঁচ বছৰে নিৰ্বাচন ভিচিডিচিৰ হতুৱাই দুৰ্নীতিৰ পাহাৰ গঢ়িলে। যাৰ বাবে মুখ্যমন্ত্ৰীয়ে এই ব্যৱস্থাৰ পৰিৱৰ্তনৰ কথা কৈছে। এইবাৰ বিটিচি নিৰ্বাচনত বিজেপিয়ে পাঁচটা গেৰাণ্টি দিছে। বিপিএফ আৰু ইউপিপিএলৰ কোকৰাঝাৰ কেন্দ্ৰিক শাসন ব্যৱস্থাত পৰিৱৰ্তন বতাহ নবলিল। ২০২০ ইউপিপিএল দলে প্ৰতিশ্ৰুতি দিছিল। কিন্তু নিৰ্বাচন নহ'ল। কিয়নো নিৰ্বাচন অনুষ্ঠিত কৰিলে শাসক পক্ষৰ সলনি অন্যই নিৰ্বাচিত হ'ব। এই ভয়তে বিশ বছৰে ভিচিডিচিৰ নিৰ্বাচন নকৰি কোকৰাঝাৰকেন্দ্ৰিক শাসন চলালে। সেই কাৰণে মুখ্যমন্ত্ৰীয়ে কৈছে, বিটিচিত দালালৰাজ নিৰ্মূল কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত শৰ্মাৰ নেতৃত্বত বিটিচিত সু-শাসন ব্যৱস্থাৰ প্ৰৱৰ্তন কৰা হ'ব বুলিও উল্লেখ কৰে। সভাত শিলচৰৰ বিধায়ক দীপায়ন চক্ৰৱৰ্তী ৰাজ্যত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত প্ৰশাসনিক ক্ষেত্ৰত যুগান্তকাৰী পৰিৱৰ্তন আনিছে। যাতায়াত, শিক্ষা, স্বাস্থ্য, সংস্কৃতি, ক্ৰীড়া বিভিন্ন ক্ষেত্ৰত উন্নয়ন সাধন কৰিছে। বিটিচিত বিজেপিৰ নেতৃত্বত আৰু প্ৰচেষ্টাত শান্তি আহিছে। এই শান্তিৰ বিটিচিত বিজেপিৰ চৰকাৰ গঠন হ'বলৈ গৈ আছে। ২২ ছেপ্টেম্বৰত বিটিচিৰ নিৰ্বাচনত বিজেপি প্ৰাৰ্থী সজল কুমাৰ সিংহক ভোট দিলে জয়যুক্ত কৰিলে পুনৰ কাৰ্যবাহী সদস্য পদ লাভ কৰিব বুলিও ৰাইজৰ আগত প্ৰকাশ কৰে। সভাত কোকৰাঝাৰৰ প্ৰভাৰী, শংকৰ প্ৰসাদ ৰায়ে শান্তিৰ বাবে বিজেপিৰ প্ৰয়োজন। বিজেপিৰ কাৰণে বন্দুকৰ সলনি নমস্কাৰ কৰি ভোট বিচৰা পৰিস্থিতি আহিছে বুলি উল্লেখ কৰি সজল কুমাৰ সিংহক ভোট দি জয়যুক্ত কৰিবলৈ আহ্বান জনায়। যোগদান সভাত সাংগঠনিক সাধাৰণ সম্পাদক দিল্লু ৰঞ্জন শৰ্মা, ৰাজ্যিক যুৱ মৰ্চাৰ সভাপতি ৰাকেশ দাস, হিতেশ্বৰ ৰায়, সভাপতি গুমা মণ্ডল, আদিবাসী কল্যাণ আৰু উন্নয়ন পৰিষদৰ ই এম বুদ্ধিৰাম সৰেণ, গুমা মণ্ডলৰ সভানেত্ৰী মিনতি বালা ৰায় আদিকে ধৰি আন ভালেকেইজন বিশিষ্ট নেতাই উপস্থিত থাকে। সভাত দুই শতাধিক লোকে বিজেপিত যোগদান কৰে।

বোকাখাতত লখিমী গাঁৱলীয়া বেংকৰ কৰ্মচাৰীৰ সঞ্চয় আৰু ঋণদান সমবায় সমিতিৰ সাধাৰণ সভা

দৈনন্দিন বাৰ্তাৰ সেৱা, বোকাখাত, ১৬ ছেপ্টেম্বৰ ঃ বোকাখাতত যোৱা ১৪ ছেপ্টেম্বৰত পূৰ্বৰ লখিমী গাঁৱলীয়া বেংকৰ কৰ্মচাৰীৰ সঞ্চয় আৰু ঋণদান সমবায় সমিতিৰ সাধাৰণ সভা অনুষ্ঠিত হৈ যায়। উল্লেখ্য যে বৰ্তমান বিস্মৃতিৰ গৰ্ভত উজনি অসমৰ একালৰ বিত্তীয় প্ৰতিষ্ঠান 'লখিমী গাঁৱলীয়া বেংক'। কিছু বছৰৰ পূৰ্বে সাধাৰণতে বেংক বুলিলেই উজনিৰ লোকৰ মনলৈ অহা বিত্তীয় প্ৰতিষ্ঠানটোৰ নাম আছিল লখিমী গাঁৱলীয়া বেংক। বেংকটোৰ মুখ্য কাৰ্যালয়ো আছিল গোলাঘাটৰ সদৰত। ২০০৬ চনত অসমৰ এনে সৰু বেংকসমূহক একত্ৰিত কৰি ভাৰতীয় ৰিজাৰ্ভ বেংকে 'অসম গ্ৰামীণ বিকাশ বেংক' নামেৰে এক সংগঠিত বেঙ্কৰ সৃষ্টি কৰিলে। নাম নতুন হ'লেও লখিমী গাৱঁলীয়া বেঙ্কৰ পুৰণিৰ কৰ্মচাৰীসকলে পাহৰিব নোৱাৰে পুৰণি অতীত। বহু কৰ্মচাৰীয়ে ইতিমধ্যে অৱসৰ গ্ৰহণ কৰিছে আৰু বহুতো এতিয়াও কৰ্মৰত হৈ আছে। কিন্তু উজনীৰ লখিমী গাঁৱলীয়া বেংকৰ কৰ্মচাৰীসকলে লখিমী নামটো চিৰস্থায়ী কৰিবলৈ লোৱা আন্তিক চিন্তাৰ বাস্তৱ প্ৰতিফলন ঘটিল বোকাখাতত। সাধাৰণ সভা অনুষ্ঠিত হোৱাৰ পূৰ্বে আয়তীৰ উৰুলিৰ মাজেৰে এগছি বন্তি জ্বলাই লখিমী ভৱনৰ উদ্বোধনী কাৰ্যসূচীৰ আৰম্ভ কৰে গোলাঘাট আৰু বোকাখাত প্ৰেছ ক্লাবৰ সভাপতি ভবানন্দ কলিতাই। বোকাখাতত উন্মোচন হ'ল 'লখিমী ভৱন'। লগতে আজি মূল গৃহৰ দ্বাৰ উদ্ঘাটন কৰে বোকাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ কমল গগৈয়ে। ধীৰেণ শইকীয়াই আঁত ধৰা অনুষ্ঠানত এটি বৰগীত পৰিৱেশন কৰে বোধেশ্বৰী বৰাই। লখিমী ভৱন নিৰ্মাণ সমিতিৰ সভাপতি ধীৰেণ শইকীয়াই এই অনুষ্ঠানৰ গঢ় দিয়াৰ ইতিহাস অৱগত কৰে। নিৰ্মাণ সমিতিৰ সম্পাদক অমৃত নাথ আৰু সভাপতি ধীৰেন শইকীয়াক সভাত সম্বৰ্ধনা জনোৱা হয়। আনহাতে নিয়মীয়া দাতাৰ উপৰিও আন সামগ্ৰী দান কৰা দাতাসকলক সভাত সম্বৰ্ধনা জনোৱা হয়। সাধাৰণ সভাত বোকাখাত পৌৰ সভাৰ ৱাৰ্ড সদস্য প্ৰাঞ্জল বৰুৱা, গোলাঘাট জিলা কবি সন্মিলনৰ সভাপতি অমৰ শৰ্মা, গ্ৰাছুৰ সম্পাদক অংকুৰ বৰঠাকুৰ, বোকাখাত মহকুমা সাংবাদিক সংস্থাৰ সভাপতি বুবুল দত্ত, অনুষ্ঠানৰ বিশিষ্ট ব্যক্তি দধি নাথ, অমৰ কাকতী, অৰুণ হাজৰিকা, মচফিকুৰ ৰহমান হাজৰিকা, পুলিন বৰা, প্ৰণৱ বৈৰাগী, অজিত শৰ্মা, দিলীপ হাজৰিকাকে ধৰি বিশিষ্ট ব্যক্তি সকলৰ লগতে লখিমী গাঁৱলীয়া বেংকৰ পৰা অৱসৰ লোৱা, বৰ্তমানো সেৱা আগবঢ়াই থকা শতাধিক লোক উপস্থিত থাকে। সভাত আশাপূৰ্ণা মহিলা আত্মসহায়ক গোটৰ সদস্যা সকলে অতিথি আপ্যায়ন কৰে। ইতিমধ্যে ২৮ লাখ টকা ব্যয় কৰি নিৰ্মাণ কৰা গৃহটি আৰু ৫ লাখ টকা ব্যয়েৰে অন্তৰ্ভাগ অধিক উপযোগী কৰি তুলিব বুলিও জানিবলৈ দিয়ে নিৰ্মাণ সমিতিৰ সভাপতি ধীৰেন শইকীয়াই। লখিমী গাৰঁলীয়া বেঙ্কৰ সঞ্চয় আৰু ঋণ দান সমিতিৰ সভাপতি ৰিপুঞ্জয় নাথ, সম্পাদক দিলীপ হাজৰিকাৰ লগতে লখিমী গাঁৱলীয়া বেঙ্কৰ অৱসৰী কৰ্মচাৰী সন্থাৰ সম্পাদক পল্লৱ বৈৰাগী উপস্থিত থাকে।

তামুলপুৰত নিৰ্বাচন সন্দৰ্ভত দলীয়ভাৱে প্ৰশিক্ষণ

দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৬ ছেপ্টেম্বৰ ঃ আজি বৰনগৰস্থিত তামুলপুৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত সমাগত বিটিচি নিৰ্বাচনৰ বাবে তামুলপুৰ জিলাৰ নাগ্ৰীজুলি, শুক্লাই ছেৰফাং আৰু দৰঙাজুলি পৰিষদীয় সমষ্টিৰ প'লিং বিষয়া আৰু প্ৰিজাইডিং বিষয়াসকলৰ দলীয়ভাৱে প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। আগবেলা নাগ্ৰীজুলি আৰু শুক্লাই ছেৰফাং সমষ্টিৰ বিষয়াসকলৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ বিপৰীতে পিছবেলা দৰঙাজুলি সমষ্টিৰ বিষয়াসকলৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। আজিৰ প্ৰশিক্ষণত ১ম, ২য় আৰু ৩য় প'লিং বিষয়াসকলে নিজৰ নিজৰ ভোটগ্ৰহণ কেন্দ্ৰৰ প্ৰিজাইডিং বিষয়াসকলৰ সৈতে মিলিত হৈ প্ৰশিক্ষণ গ্ৰহণ কৰে। তেওঁলোকক প্ৰশিক্ষকসকলে বেলট ব' খোলা আৰু বন্ধ কৰাৰে পৰা আৰম্ভ কৰি নিৰ্বাচনত প্ৰতিগৰাকী বিষয়াৰ নিজৰ নিজৰ দায়িত্বসমূহৰ সামগ্ৰিকভাৱে আলোচনা কৰা হয়। আজিৰ প্ৰশিক্ষণ কাৰ্যসূচীত জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া পংকজ চক্ৰৱৰ্তীয়ে নিৰ্বাচনী কৰ্তব্যত উপস্থিত হোৱাৰ সময়, যান-বাহনৰ পাৰ্কিং তথা যাতায়াত ব্যৱস্থা আদি সন্দৰ্ভত বিতংকৈ ব্যাখ্যা আগবঢ়াই নিৰ্বাচনটো সুস্থ আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিবলৈ সকলোকে আহ্বান জনায়ঞ্জ। উল্লেখ্য যে কাইলৈ একে ঠাইতে গয়বাৰী আৰু গোৰেশ্বৰ সমষ্টিৰ প'লিং আৰু প্ৰিজাইডিং বিষয়াসকলৰ দলীয়ভাৱে প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হ'ব। আনহাতে নিৰ্বাচনত নিযুক্ত একাংশ বিষয়া-কৰ্মচাৰীয়ে আজি পোষ্টেল বেলটযোগে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰে। যিকলে আজি পোষ্টেল বেলটযোগে ভোটদান কৰা নাই, তেওঁলোকে কাইলৈও এই সুবিধা লাভ কৰিব পাৰিব।

হাৰিয়াৰ বাঢ়নী পানীত ডুবি এজনৰ মৃত্যু

দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ১৬ ছেপ্টেম্বৰ ঃ হাৰিয়াৰ বাঢ়নীপানীত ডুবি আজি বিয়লি এজন যুৱকৰ মৃত্যু হয়। ৰহা থানাৰ অন্তৰ্গত জাগীয়াল মৌজাৰ দেউবালি-জাকৰুৱাৰ জলাহত ঘটে এই কৰুণ ঘটনাটো। পথাৰৰ পৰা গৰু আনিবলৈ গৈ পানীত ডুবি শোকাৱহ মৃত্যু যুৱকৰ। যুৱকজনৰ নাম প্ৰণৱ দাস(২২)। আঁতৰৰ পৰা দেখা অন্যলোকে ততাতৈয়াকৈ পানীত ডুব যোৱা যুৱকজনক পানীৰ পৰা উদ্ধাৰ কৰে যদিও ইতিমধ্যে যুৱক জনৰ মৃত্যু হয়। স্থানীয় লোকে পানীৰ পৰা উদ্ধাৰ কৰি ৰহা আৰক্ষীক খবৰ দিয়ে আৰু ৰহা আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। জাকৰুৱাৰ কৃষ্ণকান্ত দাসৰ একমাত্ৰ সন্তান প্ৰণৱৰ এই আকস্মিক মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। কেইবাদিনো বৰষুণ দিয়াৰ ফলত হাৰিয়ানদীৰ জলপৃষ্ঠ হঠাতে বৃদ্ধি হৈ জলাহত প্ৰৱেশ কৰাৰ বাবে গৰু আনিবলৈ পথাৰলৈ যোৱা প্ৰণৱে পানীত নামি এটা জান পাৰ হ'ব ধৰোতেই পানীত ডুব যায়।

নগাঁও পৌৰ সভাৰ প্ৰাক্তন পৌৰপতি, জ্যেষ্ঠ অধিবক্তা প্ৰদ্যুৎ বৰাৰ মৃত্যু



দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৬ ছেপ্টেম্বৰ ঃ নগাঁও চহৰৰ তিলক ডেকা পথৰ নিবাসী জ্যেষ্ঠ অধিবক্তা তথা নগাঁও পৌৰসভাৰ প্ৰাক্তন পৌৰপতি, অসম আন্দোলনৰ অন্যতম নেতা প্ৰদ্যুৎ বৰা(৮৬)ৰ আজি সন্ধিয়া ৮ বজাত চিকিৎসাধীন অৱস্থাত নগাঁও চহৰৰ এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত পৰলোকপ্ৰাপ্তি ঘটে। বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ কিছুদিন ধৰি তেওঁ অসুস্থতাত ভুগি আছিল। নগাঁৱৰ সমাজ জীৱনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত প্ৰদ্যুৎ বৰা বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। ৫০ বছৰৰো অধিক কাল ওকালতিৰ লগত জড়িত জ্যেষ্ঠ অধিবক্তা প্ৰদ্যুৎ বৰা সদৌ অসম উকীল সন্থাৰ প্ৰাক্তন সভাপতি আৰু নগাঁও উকীল সন্থাৰ প্ৰাক্তন সভাপতি আছিল। তেওঁ ১৯৮৬ চনৰ পৰা ১৯৯০ চনলৈ নগাঁও পৌৰসভাৰ পৌৰপতি পদত অধিষ্ঠিত হৈ আছিল। সমাজমুখী চিন্তাধাৰাৰ প্ৰদ্যুৎ বৰা নগাঁও শ্বহীদ ভৱন আৰু পাব্লিক লাইব্ৰেৰীৰ বৰ্তমানৰ সভাপতি, শ্ৰীমন্ত শঙ্কৰ মিছনৰ প্ৰাক্তন সভাপতি, নগাঁও টেনিছ ক্লাবৰ প্ৰতিষ্ঠাপক, নগাঁও ছোৱালী কলেজ, আৰবান হাইস্কুলৰ পৰিচালনা সমিতিৰ অধ্যক্ষ, অসম গণ পৰিষদ দলৰ প্ৰাক্তন নেতা, সুদক্ষ খেলুৱৈ প্ৰদ্যুৎ কুমাৰ বৰাৰ মৃত্যুত নগাঁৱত শোকৰ ছাঁ পৰে। তেওঁৰ মৃত্যুত বিধায়ক ৰূপক শৰ্মা প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা, সাংসদ প্ৰদ্যুৎ বৰদলৈ, প্ৰাক্তন মন্ত্ৰী ৰকিবুল হুছেইন, প্ৰাক্তন বিধায়ক ডাঃ দুৰ্লভ চমুৱা, শ্ৰীমন্ত শংকৰ মিশ্যন, নগাঁও উকীল সন্থা, নগাঁও পৌৰসভা, নগাঁও ভোগালী বিহু উৎসৱ সমিতি আদি বিভিন্ন অনুষ্ঠান আদিয়ে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নী, পুত্ৰ, জীয়ৰীসহ ভালেসংখ্যক আত্মীয়ক ইহসংসাৰত এৰি থৈ যায়।

বঙাইগাঁৱত আছুৰ বিক্ষোভ কাৰ্যসূচী

দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১৬ ছেপ্টেম্বৰ ঃ সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানমৰ্মে অসমৰ পৰা অবৈধ বাংলাদেশী, মৌলবাদীক উৎখাত আৰু অসম চুক্তি ৰূপায়ণেৰে অবৈধ বিদেশী প্ৰব্ৰজন সমস্যাৰ স্থায়ী সমাধানৰ দাবীত মঙলবাৰে বঙাইগাঁৱতো আছুই বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। সদৌ বঙাইগাঁও জিলা ছাত্ৰ সন্থাৰ উদ্যোগত শ্বহীদ ভৱনৰ সন্মুখৰ মূল ৰাজপথত ৰূপায়ণ কৰা বিক্ষোভ কাৰ্যসূচীত অংশগ্ৰহণ কৰা আছু কৰ্মীসকলে হাতে হাতে বেনাৰ আৰু বিভিন্ন প্লে-কাৰ্ড লৈ অসম চুক্ত ৰূপায়ণ কৰক, বিজেপি চৰকাৰ হায় হায়, কেন্দ্ৰীয় চৰকাৰ হায় হায়, হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ, মৌলবাদীক উৎখাত কৰক, অবৈধ বিদেশী হুচিয়াৰ, অসম চৰকাৰ হায় হায় আদি বিভিন্ন শ্লোগান দি প্ৰতিবাদ সাব্যস্ত কৰে। বিক্ষোভ কাৰ্যসূচীত অংশগ্ৰহণ কৰি জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক কংকন বায়নে অবৈধ বাংলাদেশীক ৰক্ষণাবেক্ষণ দিয়া অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰক ধিক্কাৰ জনায়। লগতে অসম চুক্তি আখৰে আখৰে পালন কৰি বাংলাদেশী তথা বিদেশী যি সমস্যা সেয়া দূৰিকৰণ কৰিবলৈ দাবী জনায়। অন্যথা আছুই অনাগত দিনতো প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰি যাব বুলি কয়। সেইদৰে জিলা আছুৰ সাধাৰণ সম্পাদক গৰাকীয়ে অসম চুক্তিৰ ৬নং দফাৰ আধাৰত বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদনৰ সকলো পৰামৰ্শ অতিশীঘ্ৰে কাৰ্যকৰী কৰাৰ বাবে দাবী জনাই 'কা' আইন কেতিয়াও মানি লোৱা নহ'ব বুলিও কয়। বিক্ষোভ কাৰ্যসূচীত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক নিলোৎপল চক্ৰৱৰ্তীৰ লগতে জিলা সমিতিৰ বিষয়ববীয়া সকলো অংশগ্ৰহণ কৰে।

ফৰ্ম নং ১৪
[নিয়ম ৩৩(২) চাওঁক]

আদায় বিষয়াৰ কাৰ্যালয়-I/II
ঋণ আদায় ন্যায়াধিকৰণ, গুৱাহাটী
সুৱৰ্ণ ভৱন, ঘৰ নং ১২, নিউ টাউন পথ,
হনুমান মন্দিৰৰ ওচৰত, জি. এছ. ৰোড, উলুবাৰী, গুৱাহাটী- ৭৮১০০৭ (অসম)

দাবী জাননী

ঋণ আদায় আৰু দেউলীয়া আইন, ১৯৯৩ৰ ধাৰা ২৫ৰ পৰা ২৮ আৰু আয়কৰ আইন, ১৯৬১ৰ দ্বিতীয় সূচীৰ নিয়ম ২ৰ অধীনত জাননী।

আৰ চি / ১৮ / ২০২৩

ইউকো বেংক

- বনাম -

মেচাৰ্চ আৰ টি টেকি এণ্ড চন্স

প্ৰতি,

(চি ডি ১) মেচাৰ্চ আৰ টি টেকি এণ্ড চন্স, এমএছ আৰ টি টেকি এণ্ড চন্স, এটৰ্নী শ্ৰী সীমন্ত শইকীয়া, ঠিকনা- হলেশ্বৰ, গৰৈমাৰী, ডাকঘৰ- হলেশ্বৰ, থানা- তেজপুৰ, শোণিতপুৰ, অসম- ৭৮৪৫০১

(চিডি ২) শ্ৰী সীমন্ত শইকীয়া, পিতা- কে চি শইকীয়া, তেজপুৰ, শোণিতপুৰ, ডাকঘৰ- হলেশ্বৰ, থানা- তেজপুৰ, জিলা- শোণিতপুৰ, অসম- ৭৮৪০০১-ৰ নিবাসী।

(চিডি ৩) শ্ৰীমতী মিনা শইকীয়া, স্বামী- শ্ৰী সীমন্ত শইকীয়া, গাঁও- গৰৈমাৰী, (হলেশ্বৰ দেবালয়), ডাকঘৰ- হলেশ্বৰ, জিলা- শোণিতপুৰ, অসম- ৭৮৪০০১-ৰ নিবাসী।

(চিডি ৪) কেশৱ চন্দ্ৰ শইকীয়া, পিতা- প্ৰয়াত দুৰ্গেশ্বৰ শইকীয়া, গাঁও- গৰৈমাৰী, (হলেশ্বৰ দেবালয়), ডাকঘৰ- হলেশ্বৰ, জিলা- শোণিতপুৰ, অসম- ৭৮৪০০১-ৰ নিবাসী।

ইয়াৰ দ্বাৰা জনোৱা হয় যে **অ'এ/৩৬৮/২০১৬**-ত প্ৰিছাইডিং অফিচাৰ, ঋণ আদায় ন্যায়াধিকৰণ, গুৱাহাটীৰ আদেশ অনুসৰণ মৰ্মে জাৰি কৰা আদায় প্ৰমাণপত্ৰ মতে আপোনাৰ (একেলগে আৰু পৃথককৈ/সম্পূৰ্ণৰূপে/সীমিত) ৩৯,৫৩,৫৮১.০৩ টকা **(উনচল্লিছ লাখ তেৰন্ন হাজাৰ পাঁচশ একাশী টকা আৰু তিনি পইচা মাত্ৰ)** লগতে ০১/০৪/২০১৬ তাৰিখৰ পৰা আদায় হোৱালৈ প্ৰযোজ্য ১৪.২৪% চক্ৰবৃদ্ধি সুত মাহেকীয়া হাৰত পাবলগীয়া আৰু অতিৰিক্ত সুদ আৰু খৰচ ৪২,০০০/- **টকা (বিয়াল্লিছ হাজাৰ টকা মাত্ৰ)** অনাদায় হৈ আছে।

২) ইয়াৰ দ্বাৰা আপোনাক এই জাননী প্ৰকাশৰ ১৫ দিনৰ ভিতৰত ওপৰোক্ত ধনৰাশি পৰিশোধ কৰিবলৈ নিৰ্দেশ দিয়া হ'ল অন্যথা বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানক পৰিশোধ কৰিবলগীয়া ঋণ আদায় আইন, ১৯৯৩ আৰু ইয়াৰ অধীনৰ ব্যৱস্থাৱলী অনুযায়ী আপোনাৰ পৰা উক্ত ধনৰাশি আদায় কৰা হ'ব।

৩) আপোনাক পৰৱৰ্তী শুনানিৰ তাৰিখত বা তাৰ আগতে আপোনাৰ সম্পদসমূহৰ বিৱৰণ শপতনামাত ঘোষণা কৰিবলৈ নিৰ্দেশ দিয়া হ'ল।

৪) আপোনাক পৰৱৰ্তী প্ৰক্ৰিয়াৰ বাবে ১৪/১০/২০২৫ তাৰিখে **পুৱা ১০.৩০ বজাত** নিম্ন স্বাক্ষৰকাৰীৰ সন্মুখত উপস্থিত হ'বলৈ নিৰ্দেশ দিয়া হ'ল।

৫) ওপৰোক্ত ধণৰাশিৰ উপৰিও, আপুনি পৰিশোধ কৰিবলৈ দায়বদ্ধ ঃ

(ক) প্ৰমাণপত্ৰৰ/কাৰ্যকৰীকৰণৰ প্ৰক্ৰিয়াৰ এই জাননীৰ ঠিক পিছতে আৰম্ভ হোৱা ম্যাদৰ বাবে পৰিশোধ কৰিবলগীয়া সুদ।

(খ) জাননী আৰু ৱাৰেণ্ট জাৰি কৰা আৰু অনাদায়কৃত ধনৰাশি আদায় কৰাৰ বাবে গ্ৰহণ কৰা অন্য প্ৰক্ৰিয়া আৰু ব্যৱস্থাত হোৱা সকলো মূল্য, ব্যয় আৰু খৰচ।

২৫/০৭/২০২৫ তাৰিখে মোৰ হস্তাক্ষৰ আৰু এই ন্যায়াধিকৰণৰ মোহৰ প্ৰদান কৰা হ'ল।

আদায় বিষয়া- II
ঋণ আদায় ন্যায়াধিকৰণ, গুৱাহাটী

শিলচৰত টিভি চাই থাকোতে কংগ্ৰেছ নেতাৰ মৃত্যু

দৈনন্দিন বাৰ্তাৰ সেৱা, শিলচৰ, ১৬ ছেপ্টেম্বৰ ঃ শিলচৰত টিভি চাই থাকোতে হৃদক্ৰিয়া বন্ধ হৈ মৃত্যু জ্যেষ্ঠ কংগ্ৰেছ নেতাৰ। মৃত্যুক সাৱটিলে জ্যেষ্ঠ নেতা কল্যাণ চন্দ্ৰ দে'ই। কাছাৰৰ লক্ষীপুৰ পৌৰসভাৰ প্ৰাক্তন পৌৰপতি দে'। নেতাজনৰ মৃত্যুত শিলচৰ লক্ষীপুৰত শোকাকুল পৰিৱেশ। ২০০৭ৰ পৰা ২০১৫লৈ ৩বাৰ পৌৰপতি আছিল দে'। জানিব পৰা মতে, কালি নিশা প্ৰায় ১১.৩০ বজাত শিলচৰৰ নিজা বাসভৱনত টিভি চাই থাকোঁতে হঠাৎ হৃদক্ৰিয়া বন্ধ হৈ মৃত্যু হয় কংগ্ৰেছ নেতা কল্যাণ চন্দ্ৰ দে'ৰ। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭২ বছৰ। মৃত্যু কালত তেওঁ স্ত্ৰী, এক পুত্ৰ, বোৱাৰী, এজনী কন্যা, জোৱাইসহ নাতিসহ অসংখ্য আত্মীয়-স্বজন এৰি যায়। তেওঁৰ মৃত্যুৱ বিভিন্ন মহলে শোক প্ৰকাশ কৰিছে।

নীলাচল অ'আৰএইচ আৰু অন্যান্য এছএণ্ডটি কাৰ্য

ই-নিবিদা জাননী নং. এছএণ্ডটি-চিঅ'এন-২০২৪-১১-আৰ। নিম্নলিখিত কাৰ্যৰ বাবে অভিজ্ঞ আৰু যশস্বী ঠিকাদাৰ (সকল)/ফাৰ্ম (সমূহ) ৰ পৰা ই-নিবিদা পদ্ধতিৰ জৰিয়তে মুকলি নিবিদা আমন্ত্ৰণ কৰা হৈছে: **নিবিদা নং. ডিবাইচিএছটিই-চি-এনএমজি-২০২৪-১১-আৰ। কামৰ নামঃ** নীলাচল অ'আৰএইচ আৰু অন্যান্য এছএণ্ডটি কাৰ্যঃ নীলাচল অফিচাৰ্চ ৰেষ্ট হাউচত চিচিটিভি নিৰীক্ষণ পদ্ধতি, টেলিভিছন আৰু ইণ্টাৰকম টেলিফোন এক্সচেঞ্জ আৰু উত্তৰ-পূব সীমান্ত ৰেলৱে/নিৰ্মাণৰ জি+৫ ভৱন, পি-শাখা আৰু ষ্টোৰ বিভাগত চিচিটিভি। **নিবিদা মূল্যঃ** ২৯,৮১,৬৬৮.২০/- টকা। **ডাক সুৰক্ষা জমাঃ** ৫৯,৬০০/- টকা। **নিবিদা বন্ধ হোৱাৰ তাৰিখ আৰু সময়ঃ** ২৯-০৯-২০২৫ তাৰিখৰ ১৫.০০ বজাত আৰু **খোলা হবঃ** ২৯-০৯-২০২৫ তাৰিখৰ ১৫.৩০ বজাত। ওপৰোক্ত ই-নিবিদাৰ নিবিদা প্ৰ-পত্ৰৰ সৈতে সম্পূৰ্ণ তথ্য **www.ireps.gov.in** ৱেবছাইটত উপলব্ধ থাকিব।

ডিবাই, চিএছটিই/চিঅ'এন/লামডিং
উত্তৰ-পূব সীমান্ত ৰেলৱে
(নিৰ্মাণ সংস্থা)
"হাঁহিমুখে গ্ৰাহকলৈ সেৱা"

বেংক অফ বৰোদা / Bank of Baroda

দিছপুৰ শাখা
বি কে টাৱাৰ, ১ম মহলা, ডঃ আৰ. পি. ৰোড, গণেশগুৰি, গুৱাহাটী, কামৰূপ(ম), অসম- ৭৮১০০৬

পৰিশিষ্ট-IV
[ৰুল- ৮(১)]
দখল জাননী
(স্থাৱৰ সম্পত্তিৰ বাবে)

যিহেতু, বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্নিৰ্মাণ আৰু প্ৰতিভূতি স্বাৰ্থৰ কাৰ্যকৰীকৰণ আইন, ২০০২ আৰু প্ৰতিভূতি স্বাৰ্থৰ (কাৰ্যকৰীকৰণ) নিয়ম, ২০০২ৰ ১৩(১২) অনুচ্ছেদৰ অধীনত প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি লগতে [নিয়ম ৩] পঢ়ি, নিম্নস্বাক্ষৰকাৰী **বেংক অফ বৰোদাৰ** কৰ্তৃত্বশীল বিষয়া হিচাপে ঋণী **মেচাৰ্চ গোলাপ হুছেইন খান, স্বত্বাধিকাৰী: শ্ৰী গোলাপ হুছেইন খান, পদ্মপাৰা, ডাকঘৰ- চেঙা, থানা- তাৰাবাৰী, জিলা- বৰপেটা, অসম- ৭৮১৩০৫-ৰ নিবাসী আৰু জামিনদাৰ- শ্ৰী গোলাপ হুছেইন খান, পদ্মপাৰা, ডাকঘৰ- চেঙা, থানা- তাৰাবাৰী, জিলা- বৰপেটা, অসম- ৭৮১৩০৫-ৰ নিবাসী**ক জাননীত উল্লেখিত মুঠ ধণৰ পৰিমাণ **১,২৪,৯৯,৮০৬/- টকা (এক কোটি চৌব্বিছ লাখ নিৰান্নব্বৈ হাজাৰ আঠশ ছয় টকা মাত্ৰ) ২৫-০৬-২০২৫** তাৰিখলৈ লগতে তাৰ ওপৰত চুক্তি হাৰত অতিৰিক্ত সুদ লগতে ব্যয়, চাৰ্জ আৰু খৰচসমূহ জাননী লাভ কৰা তাৰিখৰ পৰা ৬০ দিনৰ ভিতৰত পৰিশোধ কৰিবলৈ আহ্বান জনাই **২৫-০৬-২০২৫** তাৰিখে দাবী জাননী জাৰি কৰিছিল।

ঋণী আৰু/অথবা জামিনদাৰে উক্ত পৰিমাণৰ ধনৰাশি পৰিশোধ কৰাত ব্যৰ্থ হোৱাৰ পৰিপ্ৰেক্ষিতত ইয়াৰ দ্বাৰা ঋণী আৰু/অথবা জামিনদাৰক আৰু সৰ্বসাধাৰণ ৰাইজক জনোৱা হয় যে নিম্নস্বাক্ষৰকাৰীয়ে উক্ত আইনৰ অনুচ্ছেদ ১৩ৰ উপ অনুচ্ছেদ (৪)ৰ অধীনত লগতে প্ৰতিভূতি স্বাৰ্থৰ (কাৰ্যকৰীকৰণ) নিয়ম, ২০০২ৰ নিয়ম ৮ পঢ়ি, ইয়াৰ অধীনত তেওঁৰ ওপৰত প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি **২০২৫ চনৰ ১২ ছেপ্টেম্বৰ তাৰিখে** তলত উল্লেখ কৰা সম্পত্তি দখল কৰে।

বিশেষকৈ ঋণী আৰু/অথবা জামিনদাৰক আৰু সাধাৰণভাৱে ৰাইজক এই সম্পত্তিৰ লেনদেনৰ কাৰ্যকলাপত জড়িত নহ'বলৈ ইয়াৰ দ্বাৰাই সকীয়াই দিয়া হ'ল আৰু এনে ধৰণৰ যিকোনো লেনদেন কেৱল **বেংক অফ বৰোদা, দিছপুৰ শাখাই** পাবলগীয়া মুঠ **১,২৪,৯৯,৮০৬/- টকা (এক কোটি চৌব্বিছ লাখ নিৰান্নব্বৈ হাজাৰ আঠশ ছয় টকা মাত্ৰ) ২৫-০৬-২০২৫** তাৰিখলৈ লগতে তাৰ ওপৰত অতিৰিক্ত সুদ পৰিশোধৰ চৰ্তত হে হ'ব।

সুৰক্ষিত সম্পদ পুনৰ লাভ কৰাৰ সংক্ৰান্তত উপলবদ্ধ সময়ৰ ক্ষেত্ৰত ওপৰোক্ত আইনৰ ১৩ অনুচ্ছেদৰ উপ-অনুচ্ছেদ (৮)ৰ ব্যৱস্থাৱলীৰ প্ৰতি ঋণী আৰু/অথবা জামিনদাৰৰ মনোযোগ আকৰ্ষণ কৰা হল।

স্থাৱৰ সম্পত্তিৰ বিৱৰণ

গাঁও সাউকুচি, মৌজা বেলতলাৰ কে.পি. পট্টা নং ৩০-ৰ দাগ নং ৬৭৮ ৰে আগুৱা **১০.৬৯ আৰ** পৰিমাপৰ ভূমি আৰু বিল্ডিংৰ সকলো অংশৰ ন্যায্য বন্ধকী।
সম্পত্তিৰ চাৰিসীমা তলৰ দিয়া ধৰণে:-
উত্তৰে: পথ, **দক্ষিণে:** জেহেৰুল ইছলাম আৰু মুকুট শইকীয়াৰ ভূমি, **পূবে:** তনু মিয়াৰ ভূমি, **পশ্চিমে:** খনিন্দ্ৰ শৰ্মা আৰু মাধব মিকিৰৰ ভূমি।

তাৰিখ ঃ ১২-০৯-২০২৫
স্থান ঃ দিছপুৰ

কৰ্তৃত্বশীল বিষয়া
বেংক অফ বৰোদা

জেমছ ৱাৰেন টি লিমিটেড
চিআইএন ঃ এল১৫৪৯১এএছ২০০৯পিএলচি০০৯৩৪৫
পঞ্জীকৃত কাৰ্যালয়ঃ বৰদলৈ নগৰ, উপপথ-৬, ছেক্টৰ ২, তিনিচুকীয়া, অসম ৭৮৬১২৫, দুৰভাষ ঃ ০৩৭৪-২৩৩০০২০
কৰ্পৰেট কাৰ্যালয় ঃ ১২, প্ৰিটৰিয়া ষ্ট্ৰীট, কলকাতা- ৭০০০৭১, টেলিফোন ঃ ০৩৩-৪০৩৪ ১০০০, টেলিফেক্স ঃ ০৩৩-৪০৩৪ ১০১৫
ইমেইল ঃ sec@jwtl.in, ৱেবছাইট ঃ www.jameswarrentea.com

শ্বেয়াৰহোল্ডাৰসকলৰ বাবে বিশেষ জাননী ঃ শাৰীৰিক ৰূপত থকা শ্বেয়াৰৰ স্থানান্তৰণ অনুৰোধ পুনৰ জমা দিয়াৰ বিশেষ কাৰিকৰী সময়ৰ সন্দৰ্ভত দ্বিতীয় স্মাৰক।

পূৰ্বৰ ১৮ জুলাই, ২০২৫ তাৰিখৰ জাননীৰ প্ৰেক্ষাপটত, শ্বেয়াৰহোল্ডাৰসকলক পুনৰ অৱগত কৰা হৈছে যে ছেবিৰ চাৰ্কুলাৰ SEBI/HO/MIRSD/MIRSD-PoD/P/CIR/2025/97, জুলাই ০২, ২০২৫ অনুসৰি, শাৰীৰিক ৰূপত শ্বেয়াৰৰ স্থানান্তৰণ অনুৰোধ পুনৰ জমা দিয়াৰ বাবে এটা বিশেষ কাৰিকৰী সময় মুকলি কৰা হৈছে। এই জাননী তেওঁলোকৰ বাবে প্ৰযোজ্য যি স্থানান্তৰণ ডীডসমূহ ০১ এপ্ৰিল, ২০১৯ পূৰ্বে জমা দিছিল আৰু নথিপত্ৰ, প্ৰক্ৰিয়া বা অন্য কোনো অপৰ্যাপ্ততাৰ বাবে প্ৰত্যাখ্যান হৈছিল/উভতি গৈছিল হৈছে/প্ৰাপ্তি হোৱা নাছিল। পুনৰ জমা দিয়াৰ জাননী ইতিমধ্যে ০৭ জুলাই, ২০২৫ তাৰিখৰ পৰা মুকলি কৰা হৈছে আৰু ০৬ জানুৱাৰী, ২০২৬ তাৰিখলৈ এয়া মুকলি থাকিব। এই সময়ছোৱাত জমা দিয়া সকলো স্থানান্তৰণ অনুৰোধসমূহক ডীমেট ৰূপত স্থানান্তৰকাৰীক প্ৰদান কৰা হ'ব। স্থানান্তৰণ-সহ-ডীমেট অনুৰোধসমূহৰ বাবে যথাযথ প্ৰক্ৰিয়া অনুসৰণ কৰা হ'ব।
যোগ্য শ্বেয়াৰহোল্ডাৰ(সকলে) নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰৰ সৈতে তেওঁলোকৰ স্থানান্তৰণ অনুৰোধ কোম্পানী বা ইয়াৰ পঞ্জীয়ক আৰু শ্বেয়াৰ স্থানান্তৰণ এজেন্টক (আৰটিএ) জমা দিব পাৰে। পুনৰ জমা দিয়াৰ প্ৰক্ৰিয়া সম্পৰ্কে অধিক সাহায্য অথবা প্ৰশ্নৰ বাবে, অনুগ্ৰহ কৰি যোগাযোগ কৰিবঃ

কোম্পানী	পঞ্জীয়ক আৰু শ্বেয়াৰ স্থানান্তৰণ এজেন্ট (আৰটিএ)
জেমছ ৱাৰেন টি লিমিটেড ১২, প্ৰিটৰিয়া ষ্ট্ৰীট, কলকাতা-৭০০০৭১ ইমেইল আইডি ঃ sec@jwtl.in ফোন নং. ঃ ০৩৩-৪০৩৪ ১০০০	মহেশ্বৰী ডাটামেটিক্স প্ৰাইভেট লিমিটেড লিমিটেড ২৩, আৰ.এন. মুখাৰ্জী ৰোড, ৫ম মহলা, কলকাতা-৭০০০০০১ ইমেইল আইডি ঃ compliance@mdplcorporate.com ফোন নং. ঃ ০৩৩-২২৪৮ ২২৪৮

স্থান ঃ কলকাতা
তাৰিখ ঃ ১৬.০৯.২০২৫

জেমছ ৱাৰেন টি লিমিটেডৰ হৈ
স্বা/-
আয়ুষী মুন্দ্ৰা (কোম্পানী সচিব আৰু অনুপালন বিষয়া)

শিৱালিক স্মল ফাইনেঞ্চ বেংক লিমিটেড
পঞ্জীয়নকৃত কাৰ্যালয় ঃ ৫০১, ছেলকন অৰুমা, যশোলা জিলা কেন্দ্ৰ, নতুন দিল্লী - ১১০০২৫
চিআইএন ঃ ইউ৬৫৯০০ডিএল২০২০পিএলচি৩৬৬০২৭

নিলাম জাননী

শিৱালিক স্মল ফাইনেঞ্চ বেংক লিমিটেডৰ ঋণগ্ৰাহকসকলক ইয়াৰ দ্বাৰা অৱগত কৰা হৈছে যে তেওঁলোকে বেংকৰ পৰা গ'ল্ড লোনসমূহ বিভিন্ন দাবী আৰু জাননী (বেংকৰ দ্বাৰা জাৰী কৰা পৃথক জাননীও সন্নিবিষ্ট) প্ৰাপ্ত কৰা সত্বেও পৰিশোধ কৰা নাই। সেইবাবে সকলো ঋণগ্ৰাহকক অৱগত কৰা হৈছে যে বেংকে বন্ধকী হিচাপে জমা ৰখা সেই সোণৰ অলংকাৰসমূহ নিলামত বিক্ৰী কৰিব বুলি সিদ্ধান্ত লোৱা হৈছে আৰু সেই নিলাম কাৰ্যসূচী ঋণ গ্ৰহণ কৰা শাখাটোৰ কাৰ্যালয়ত পুৱা **১১** বজাৰ পৰা অনুষ্ঠিত হ'ব। এই নিলামত ঋণগ্ৰাহকসকলে, বেংকৰ একাউণ্ট গৰাকীসকলৰ লগতে সাধাৰণ জনতাও নিলামৰ চৰ্তাৱলী অনুসৰি অংশগ্ৰহণ কৰিব পাৰে।

নিলামৰ তাৰিখ ২৬-৯-২০২৫ @ পুৱা ১১:০০ বজাত।

ক্ৰ. নং	শাখা	একাউণ্ট নং	একাউণ্টগৰাকীৰ নাম
1	ইন্দিৰাপুৰম	101942521799	ছিমৰন আগৰৱাল

বেংকে কোনো আগতীয়া জাননী নিদিয়াকৈয়ে কোনো একাউণ্টক নিলামৰ পৰা বাদ দিয়া অথবা সম্পূৰ্ণ নিলাম প্ৰক্ৰিয়া বাতিল কৰাৰ অধিকাৰ সংৰক্ষিত ৰাখিছে।

শিৱলিক স্মল ফাইনেঞ্চ বেংক লিমিটেডৰ অনুমোদিত বিষয়া

বেংক অফ বৰোদা / Bank of Baroda

দিছপুৰ শাখা
বি কে টাৱাৰ, ১ম মহলা, ডঃ আৰ. পি. ৰোড, গণেশগুৰি, গুৱাহাটী, কামৰূপ(ম), অসম- ৭৮১০০৬

পৰিশিষ্ট-IV
[ৰুল- ৮(১)]
দখল জাননী
(স্থাৱৰ সম্পত্তিৰ বাবে)

যিহেতু, বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্নিৰ্মাণ আৰু প্ৰতিভূতি স্বাৰ্থৰ কাৰ্যকৰীকৰণ আইন, ২০০২ আৰু প্ৰতিভূতি স্বাৰ্থৰ (কাৰ্যকৰীকৰণ) নিয়ম, ২০০২ৰ ১৩(১২) অনুচ্ছেদৰ অধীনত প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি লগতে [নিয়ম ৩] পঢ়ি, নিম্নস্বাক্ষৰকাৰী **বেংক অফ বৰোদাৰ** কৰ্তৃত্বশীল বিষয়া হিচাপে ঋণী **মেচাৰ্চ গোলাপ হুছেইন খান, স্বত্বাধিকাৰী: শ্ৰী গোলাপ হুছেইন খান, পদ্মপাৰা, ডাকঘৰ- চেঙা, থানা- তাৰাবাৰী, জিলা- বৰপেটা, অসম- ৭৮১৩০৫-ৰ নিবাসী আৰু জামিনদাৰ- শ্ৰী গোলাপ হুছেইন খান, পদ্মপাৰা, ডাকঘৰ- চেঙা, থানা- তাৰাবাৰী, জিলা- বৰপেটা, অসম- ৭৮১৩০৫-ৰ নিবাসী**ক জাননীত উল্লেখিত মুঠ ধণৰ পৰিমাণ **১,২৪,৯৯,৮০৬/- টকা (এক কোটি চৌব্বিছ লাখ নিৰান্নব্বৈ হাজাৰ আঠশ ছয় টকা মাত্ৰ) ২৫-০৬-২০২৫** তাৰিখলৈ লগতে তাৰ ওপৰত চুক্তি হাৰত অতিৰিক্ত সুদ লগতে ব্যয়, চাৰ্জ আৰু খৰচসমূহ জাননী লাভ কৰা তাৰিখৰ পৰা ৬০ দিনৰ ভিতৰত পৰিশোধ কৰিবলৈ আহ্বান জনাই **২৫-০৬-২০২৫** তাৰিখে দাবী জাননী জাৰি কৰিছিল।

ঋণী আৰু/অথবা জামিনদাৰে উক্ত পৰিমাণৰ ধনৰাশি পৰিশোধ কৰাত ব্যৰ্থ হোৱাৰ পৰিপ্ৰেক্ষিতত ইয়াৰ দ্বাৰা ঋণী আৰু/অথবা জামিনদাৰক আৰু সৰ্বসাধাৰণ ৰাইজক জনোৱা হয় যে নিম্নস্বাক্ষৰকাৰীয়ে উক্ত আইনৰ অনুচ্ছেদ ১৩ৰ উপ অনুচ্ছেদ (৪)ৰ অধীনত লগতে প্ৰতিভূতি স্বাৰ্থৰ (কাৰ্যকৰীকৰণ) নিয়ম, ২০০২ৰ নিয়ম ৮ পঢ়ি, ইয়াৰ অধীনত তেওঁৰ ওপৰত প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি **২০২৫ চনৰ ১৬ ছেপ্টেম্বৰ তাৰিখে** তলত উল্লেখ কৰা সম্পত্তি দখল কৰে।

বিশেষকৈ ঋণী আৰু/অথবা জামিনদাৰক আৰু সাধাৰণভাৱে ৰাইজক এই সম্পত্তিৰ লেনদেনৰ কাৰ্যকলাপত জড়িত নহ'বলৈ ইয়াৰ দ্বাৰাই সকীয়াই দিয়া হ'ল আৰু এনে ধৰণৰ যিকোনো লেনদেন কেৱল **বেংক অফ বৰোদা, দিছপুৰ শাখাই** পাবলগীয়া মুঠ **১,২৪,৯৯,৮০৬/- টকা (এক কোটি চৌব্বিছ লাখ নিৰান্নব্বৈ হাজাৰ আঠশ ছয় টকা মাত্ৰ) ২৫-০৬-২০২৫** তাৰিখলৈ লগতে তাৰ ওপৰত অতিৰিক্ত সুদ পৰিশোধৰ চৰ্তত হে হ'ব।

সুৰক্ষিত সম্পদ পুনৰ লাভ কৰাৰ সংক্ৰান্তত উপলবদ্ধ সময়ৰ ক্ষেত্ৰত ওপৰোক্ত আইনৰ ১৩ অনুচ্ছেদৰ উপ-অনুচ্ছেদ (৮)ৰ ব্যৱস্থাৱলীৰ প্ৰতি ঋণী আৰু/অথবা জামিনদাৰৰ মনোযোগ আকৰ্ষণ কৰা হল।

স্থাৱৰ সম্পত্তিৰ বিৱৰণ

ৰাজহ গাঁও মানেৰে, মৌজা চেঙা, জিলা- বৰপেটা, অসমৰ পট্টা নং ৩২-ৰ দাগ নং ২৩৬ ৰে আগুৱা **২ বিঘা ১ কঠা ১৪ লেচা** পৰিমাপৰ ভূমি আৰু বিল্ডিংৰ সকলো অংশৰ ন্যায্য বন্ধকী।

১ বিঘা ৪ কঠা ৪ লেচা সম্পত্তিৰ বাবে চাৰিসীমা তলত দিয়া ধৰণে:-
উত্তৰে: ধীৰেন্দ্ৰ নাথ বৰ্মাৰ ভূমি, **দক্ষিণে:** ৰাচিদৰ ভূমি, **পূবে:** গোলাপ হুছেইন খানৰ ভূমি, **পশ্চিমে:** চুলতান খানৰ ভূমি।

২ কঠা ১০ লেচা সম্পত্তিৰ বাবে চাৰিসীমা তলত দিয়া ধৰণে:-
উত্তৰে: ধীৰেন্দ্ৰ নাথ বৰ্মাৰ ভূমি, **দক্ষিণে:** ৰাচিদৰ ভূমি, **পূবে:** পথ, **পশ্চিমে:** গোলাপ হুছেইন খানৰ ভূমি।

তাৰিখ ঃ ১৬-০৯-২০২৫
স্থান ঃ দিছপুৰ

কৰ্তৃত্বশীল বিষয়া
বেংক অফ বৰোদা

IDBI BANK

আইডিবিআই বেংক লিমিটেড
আঞ্চলিক কাৰ্যালয় ঃ গুৱাহাটী - II, জি.এছ.ৰোড
চতুৰ্থ মহলা, গুৱাহাটী- ৭৮১০০৫, অসম

পৰিশিষ্ট চতুৰ্থ (নিয়ম ৮(১))
দখলী জাননী
(স্থাৱৰ সম্পত্তিৰ বাবে)

যিহেতু নিম্নোক্ত স্বাক্ষৰকাৰীয়ে আইডিবিআই বেংক লিমিটেডৰ অনুমোদিত বিষয়া হিচাপে, ৰিটেইল পুনৰুদ্ধাৰ বিভাগ, **আইডিবিআই বেংক লিমিটেড, মাগুলিক কাৰ্যালয় ভৱন জি.এছ.ৰোড, গুৱাহাটী - ৭৮১০০৫, অসম**ৰ পৰা, বিত্তীয় সম্পত্তিৰ নিৰাপত্তা আৰু পুনৰ্গঠন আৰু আমানত সূত বলবৎ কৰা (SARFAESI) আইন, ২০০২ অনুসৰি আৰু আমানত সূত (বলবৎকৰণ) নিয়ম, ২০০২ৰ বিধি ৩ ৰ সৈতে পঢ়িব পৰা ধাৰা ১৩(১২) ৰ অধীনত প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি সংশ্লিষ্ট একাউণ্টসমূহৰ বিপৰীতে উল্লেখিত তাৰিখত ডীমাণ্ড জাননী জাৰি কৰিছিল, য'ত ঋণ লওতা/সহ ঋণ লওতাক উক্ত মাচুল পৰিশোধ কৰিবলৈ আহ্বান জনোৱা হৈছিল, যদিও ঋণ লওতা/সহ ঋণ লওতাই তেনে পৰিশোধ কৰিবলৈ বিফল হৈছে। সেয়ে, ঋণ লওতা/সহ ঋণ লওতা আৰু সাধাৰণ জনতাক এইদৰে সূচনা দিয়া হৈছে যে, স্বাক্ষৰকাৰীয়ে ধাৰা ১৩ ৰ ধাৰা (৪) আৰু উক্ত আমানত সূত (বলবৎকৰণ) নিয়ম, ২০০২ৰ বিধি ৮ অনুসৰি প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি তলত বৰ্ণিত সম্পত্তিসমূহৰ অধিকাৰ লৈছে, যি অধিকাৰ গ্ৰহণৰ তাৰিখ প্ৰত্যেক একাউণ্টৰ বিপৰীতে তলত উল্লেখ কৰা হৈছে।
ঋণ লওতা/সহ ঋণ লওতাসকলক বিশেষভাৱে আৰু জনসাধাৰণক সামগ্ৰিকভাৱে এইদৰে সতৰ্ক কৰা হয় যে, তলত উল্লেখিত সম্পত্তিসমূহৰ সৈতে কোনো ধৰণৰ লেনদেন নহ'ব আৰু সম্পত্তি সম্বন্ধীয় যিকোনো লেনদেন **আইডিবিআই বেংক লিমিটেড, খুচুৰা পুনৰুদ্ধাৰ বিভাগ, আইডিবিআই বেংক লিমিটেড, মাগুলিক কাৰ্যালয় ভৱন জি.এছ.ৰোড, গুৱাহাটী - ৭৮১০০৫, অসম**ত তলত উল্লেখিত মূলধন, লগতে প্ৰযোজ্য অতিৰিক্ত ধন, ব্যয়/মাচুলৰ অধীনত হ'ব। ঋণ লওতাসকলৰ ইয়াৰ দ্বাৰা মনোযোগ আকৰ্ষণ কৰা হৈছে যে, আইনৰ ধাৰা ১৩ৰ উপধাৰা (৮) অনুসৰি সংৰক্ষিত সম্পত্তি উদ্ধাৰৰ বাবে উপলব্ধ সময়ৰ বিষয়ে বিধান আছে।

ঋণ লওতা /সহ ঋণ লওতা / গেৰাণ্টৰৰ নাম	১) ডীমাণ্ড জাননী ২) দখলৰ তাৰিখ ৩) ডীমাণ্ড জাননী অনুসৰি দাবীৰ পৰিমাণ	সম্পত্তিৰ বিৱৰণ
আলালুদ্দিন (আবেদনকাৰী) আৰু সহ-আবেদনকাৰী/ সহ-ঋণ লওতা **বদৰুদ্দিন**	১) ০৩.০২.২০২৪ ২) ১১.০৯.২০২৫ ৩) ০২-০৭-২০২৪ তাৰিখ পৰ্যন্ত ২০,৬২,৩৫৬.৬৩/- টকা (বিশ লাখ বাষষ্ঠি হাজাৰ তিনিশ ছাপন্ন টকা আৰু তেষষ্ঠি পইচা) আৰু তাৰ ওপৰত পৰৱৰ্তী সুত	**(ক) মৰ্টগেজ সম্পত্তিসমূহ** বদৰুদ্দিনৰ মালিকানাত থকা ০১ বিঘা ০৮ লেচা ক্ষেত্ৰফলৰ ভূমি, য'ত এটা আৰচিচি ভৱন আছে, গাঁও- বনিয়াৰপাৰা, মৌজাৰ নাম- ঘিলাজৰী, জিলাঃ বৰপেটা (অসম), দাগ নম্বৰ ১৫৯ আৰু পট্টা নম্বৰ ৩০২ৰ অন্তৰ্গত। **এই ভূমিখণ্ডৰ চাৰিসীমাসমূহ হ'লঃ** **পূব দিশত ঃ** দাগ নম্বৰ ১৮২ৰ ভূমি; **পশ্চিম দিশত ঃ** দাগ নম্বৰ ১৬০ৰ ভূমি; **দক্ষিণ দিশত ঃ** দাগ নম্বৰ পথৰ ভূমি; **উত্তৰ দিশত ঃ** দাগ নম্বৰ ১৮০ৰ ভূমি। এই বন্ধকীকৃত সম্পত্তিৰ সৈতে বৰ্তমান আৰু ভৱিষ্যতত থকা সকলো নিৰ্মাণ আৰু গঠনসমূহ সন্নিবিষ্ট।

তাৰিখ ঃ ১১.০৯.২০২৫, স্থান ঃ গুৱাহাটী
স্বা/-অনুমোদিত বিষয়া, আইডিবিআই বেংক লিমিটেড

ইণ্ডিয়ান বেংক / Indian Bank
ইলাহাবাদ / ALLAHABAD

মাগুলিক কাৰ্যালয় : ডিব্ৰুগড়
টি. আৰ. ফুকন ৰোড, চিৰিং চাপোৰি,
ডাকঘৰ ঃ ডিব্ৰুগড়- ৭৮৬০০১,
ই-মেইল : zodibrugarh@indianbank.co.in

বিক্ৰী জাননী

পৰিশিষ্ট - IV-A [বিধি ৮ (৬)ৰ অনুবিধি চাওঁক]
স্থাৱৰ সম্পত্তি বিক্ৰীৰ বাবে পৰৱৰ্তী বিক্ৰী জাননী
বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্নিৰ্মাণ আৰু আমানত সুদৰ কাৰ্যকৰীকৰণ আইন, ২০০২ৰ সৈতে আমানত সুদ (কাৰ্যকৰীকৰণ) নিয়মাৱলী ২০০২ৰ নিয়ম ৮ (৬), ৬ (২) আৰু ৯ (১)ৰ অধীনত স্থাৱৰ সম্পদৰ পৰৱৰ্তী বিক্ৰীৰ বাবে ই-নিলাম বিক্ৰী জাননী।

ইয়াৰ দ্বাৰা সাধাৰণভাৱে জনসাধাৰণক আৰু ঋণী(সকলক) আৰু জামিনদাৰ(সকলক) বিশেষকৈ জাননী দিয়া হৈছে যে চিকিউৰ্ড ক্ৰেডীটৰৰ ওচৰত বন্ধকীকৃত/নিৰিখিত নিম্ন উল্লেখিত স্থাৱৰ সম্পত্তি, **ইণ্ডিয়ান বেংকৰ** অনুমোদিত বিষয়াৰ দ্বাৰা কায়িক / প্ৰতীকী অধিগ্ৰহণ কৰা হৈছে আৰু ০৬/১০/২০২৫ তাৰিখে "য'ত আছে", "যি আছে" আৰু: "যেনে আছে তেনেই ভিত্তিত" বিক্ৰী কৰা হ'ব। ই-নিলামৰ জৰিয়তে পৰৱৰ্তী বিক্ৰী কৰিবলৈ আগ্ৰহ কৰা সম্পত্তিৰ বিশদ বিৱৰণ তলত উল্লেখ কৰা হ'ল :

শাখা	(ক) ঋণী /জামিনদাৰ/বন্ধকদাতাৰ নাম (খ) পাবলগীয়া ধন	(ক) স্থাৱৰ সম্পত্তিৰ বিৱৰণ (খ) সম্পত্তিৰ আই.ডি. নং	(ক) সংৰক্ষিত মূল্য; (খ) ইএমিডি (গ) ডাক বৃদ্ধিৰ পৰিমাণ; (ঘ) সম্পত্তিৰ ওপৰত থকা কোনো দায়বদ্ধতা
যোৰহাট গড় আলি	ক) **ঋণী** : মেচাৰ্চ এক্সচেঞ্জ পেকাৰ্চ, ঠিকনা : মাজগাঁও, ন আলি, ডাক ঘৰ - ঢেকীয়াজুলি, যোৰহাট, অসম-৭৮৫০০৯ **অংশীদাৰ তথা জামিনদাৰ** : অভিজিৎ চেতিয়া, পিতা - ফণী চেতিয়া, ঠিকনা : চন্দন নগৰ, উপ পথ - ১৩, যোৰহাট, অসম-৭৮৫০০১ **অংশীদাৰ তথা জামিনদাৰ** : স্মৃতি ৰেখা গগৈ চেতিয়া, ঠিকনা : মাৰফৎ- অভিজিৎ চেতিয়া, চন্দন নগৰ, উপ পথ- ১৩, যোৰহাট, অসম-৭৮৫০০১ **জামিনদাৰ** : ধৰ্মেন্দ্ৰ নেওগ, পিতা- জিতেন্দ্ৰনাথ নেওগ, ঠিকনা: পূব বংগাল পুখুৰী, ডাকঘৰ: যোৰহাট, অসম-৭৮৫০০১ খ) **৩,৩৬,৭৩,৫৪২/- টকা** (তিনি কোটি ছয়ত্ৰিছ লাখ তেসত্তৰ হাজাৰ পাঁচশ বিয়াল্লিছ টকা মাত্ৰ) ০২/০২/২০২৫ তাৰিখ মতে লগতে তাৰ ওপৰত অতিৰিক্ত সুত, ব্যয়, অন্যান্য চাৰ্জেছ আৰু খৰচ।	ক) **শ্ৰী ফণী চেতিয়াৰ পুত্ৰ শ্ৰী অভিজিৎ চেতিয়াৰ** নামত মাজগায়ন গাঁও, আই.অ.চি. পেট্ৰল পাম্পৰ ওচৰত, ঢেকীয়াজুলি, ডাকঘৰ আৰু থানা - যোৰহাট, চৰাইবাঁহী মৌজা, যোৰহাট, অসমত অৱস্থিত দাগ নং ৭০৩ আৰু পট্টা নং ২০৪ ৰে আগুৱা ০ বি - ৪ কে - ০ এল পৰিমাপৰ ভূমি সম্পত্তিৰ সকলো অংশ। **চাৰিসীমাঃ- উত্তৰে** - নবিন বৰা, **দক্ষিণে** - অপূৰ্ব বৰা, **পূবে** - হেমন্ত বৰদলৈ, **পশ্চিমে** - পথ। খ) **IDIB50070693828**	ক) ১৬,০০,০০০.০০ টকা (যোল্ল লাখ টকা মাত্ৰ) খ) ১,৬০,০০০.০০ টকা (এক লাখ ষাঠি হাজাৰ টকা মাত্ৰ) গ) ১০,০০০/- টকা (দহ হাজাৰ টকা মাত্ৰ) ঘ) কোনো জ্ঞাত নাই

ই-নিলামৰ তাৰিখ আৰু সময় : ০৬/১০/২০২৫ তাৰিখে দুপৰীয়া ১.০০ বজাৰ পৰা বিয়লি ৫.০০ বজালৈ ১০ মিনিটৰ অসীমিত সম্প্ৰসাৰণৰ সৈতে | **ই.এম.ডি. ধন জমা কৰাৰ অন্তিম তাৰিখ আৰু সময় : ০৬/১০/২০২৫ বিয়লি ০৫.০০ বজালৈ**

বিশদ বিৱৰণ আৰু নিয়ম আৰু চৰ্তাৱলীৰ বাবে, সংশ্লিষ্ট শাখা প্ৰৱন্ধকৰ সৈতে যোগাযোগ কৰক : (ক) যোৰহাট গড় আলি : ৭০৯৯০২৪৫১৩, (গ) মাগুলিক কাৰ্যালয় ডিব্ৰুগড়: ৯৬২৮৬১০৬৯৯

নিবিদাকাৰীসকলক অনলাইন নিবিদাত অংশ গ্ৰহণ কৰিবৰ বাবে আমাৰ ই-নিলাম সেৱা প্ৰদানকাৰী পি এছ বি এলায়েন্স প্ৰাইভেট লিমিটেৰ ৱেবছাইট (**https://baanknet.com**) পৰিদৰ্শন কৰাৰ বাবে পৰামৰ্শ দিয়া হ'ল। কাৰিকৰী সহায়ৰ বাবে অনুগ্ৰহ কৰি ৮২৯১২২০২২০ নম্বৰত ফোন কৰক। পঞ্জীয়ন স্থিতি বাবে আৰু ইএমডি স্থিতিৰ বাবে অনুগ্ৰহ কৰি অনুগ্ৰহ কৰি **support.baanknet@psballiance.com** লৈ ইমেইল কৰক। সম্পদৰ সবিশেষ আৰু সম্পদৰ ফটোগ্ৰাফৰ বাবে আৰু নিলামৰ চৰ্তাৱলীৰ বাবে পৰিদৰ্শন কৰিব পাৰিব **https://baanknet.com** আৰু এই প'ৰ্টেলৰ বিষয়ৰ স্পষ্টীকৰণৰ বাবে অনুগ্ৰহ কৰি যোগাযোগ কৰিব পাৰিব পি এছ বি এলায়েন্স প্ৰাইভেট লিমিটেড, যোগাযোগ নং ৮২৯১২২০২২০-ত।
নিবিদাকাৰীসকলক ৱেবছাইট **https://baanknet.com**-ত সম্পত্তি অনুসন্ধান কৰাৰ সময়ত ওপৰত উল্লেখ কৰা সম্পদৰ আইডি নম্বৰ ব্যৱহাৰ কৰিবলৈ পৰামৰ্শ দিয়া হ'ল।

তাৰিখ ঃ ১৬/০৯/২০২৫
স্থান ঃ যোৰহাট

অনুমোদিত বিষয়া
(ইণ্ডিয়ান বেংক)